# অসম আদিত্য

১১ পুহ, ১৯৪৬ শক ■ শুকুৰবাৰ, ২৭ ডিচেম্বৰ, ২০২৪ ■ Asom Aditya, Dibrugarh, Friday, December 27, 2024 ■ Price Rs. 7 ■ ডিব্রুগড় আৰু গুৱাহাটী


## 'ডিবৰু সাহিত্য সংস্কৃতি জনঞ্চৰ'ৰ নৱম বৰ্ষপূৰ্তি

ডিব্রুগড়, ২৬ ডিচেম্বৰঃ ২৫ ডিচেম্বৰত ডিব্রুগড়ৰ অন্যতম অগ্ৰণী অনুষ্ঠান 'ডিবৰু সাহিত্য সংস্কৃতি জনঞ্চৰ'ৰ নৱম বৰ্ষপূৰ্তিৰ লগত সংগতি ৰাখি এখনি সাধাৰণ সভা অসম লেখিকা সমাৰোহৰ ডিব্রুগড় শাখাৰ সভাকক্ষত অনুষ্ঠিত হয়। সভাত ন-পুৰণি সকলো সদস্য-সদস্যা উপস্থিত থাকে। সভাত সভাপতিত্ব কৰে মঞ্চৰ কাৰ্যকৰী সভাপতি পূৰ্ণ বৰদলৈয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মঞ্চৰ সম্পাদক জয়ন্ত বৰদলৈয়ে। বিশিষ্ট অতিথি হিচাপে সভাত অংশগ্ৰহণ কৰে ৰাষ্ট্ৰীয় কৃতী শিক্ষক আৰু বিশিষ্ট সাহিত্যিক গজেশ্বৰ শইকীয়াই। বিশিষ্ট সাহিত্যিকগৰাকীয়ে ভাষণত বৰ্তমান অসমীয়া ভাষাৰ সংকট আৰু সংশয় দিশটোৰ লগতে সাহিত্য, সংস্কৃতিয়ে সমাজখনক কেনেদৰে শক্তিশালী কৰি ৰাখে সেই দিশটোৰ বিষয়েও আলোকপাত কৰে। সভাত মঞ্চৰ প্ৰতিষ্ঠাপক সভাপতি দুৰ্লভ চেতিয়াই মঞ্চৰ লক্ষ্য আৰু উদ্দেশ্যৰ লগতে মঞ্চই প্ৰকাশ কৰি অহা চতুৰ্ভাষী আলোচনীখনৰ বিষয়েও উপস্থিত ৰাইজক বিতংভাৱে অৱগত কৰে। সভাত সমজোৱা এষাৰত শ্বৰিফ

## কনিষ্ঠ সহায়ক অপূৰ্ব শৰ্মাক সম্বৰ্ধনা জিলা কৰ্মচাৰী পৰিষদৰ



ষ্টাফ ৰিপৰ্টাৰ, ২৬ ডিচেম্বৰঃ ডিব্রুগড় জিলা কৰ্মচাৰী পৰিষদৰ ষষ্ঠদশ দ্বি-বাৰ্ষিক অধিৱেশনৰ মুকলি সভাৰ ২৫ ডিচেম্বৰৰ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ কনিষ্ঠ সহায়ক অপূৰ্ব শৰ্মাক সম্বৰ্ধনা জনায়। মাজুলী খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত ২০০৮ চনৰ পৰা ২০১০ চনলৈ অস্থায়ী ভিত্তিক কম্পিউটাৰ সহায়ক হিচাপে কৰ্মজীৱনৰ পাতনি মেলা অপূৰ্ব শৰ্মাই ২০১২ চনৰ পৰা ২০১৫ চনলৈ ঐতিহাসিক মাজুলী মহাবিদ্যালয়ত অস্থায়ী ভিত্তিক কম্পিউটাৰ সহায়ক হিচাপে কাম কৰিছিল। ২০১৫ চনৰ ৫ আগষ্টৰ পৰা ২০২৩ চনৰ ৩১ মে' লৈকে ঐতিহ্যপূৰ্ণ ডি এইচ এছ কানৈ মহাবিদ্যালয়ত অস্থায়ী ভিত্তিক কাৰ্যালয় সহায়ক হিচাপে সেৱা আগবঢ়াই ২০২৩ চনৰ ১ জুনৰ পৰা কানৈ মহাবিদ্যালয়ত কনিষ্ঠ সহায়কৰ স্থায়ী পদত কৰ্মৰত হৈ আছে। অপূৰ্ব শৰ্মাৰ এইকৰ্মৰ স্বীকৃতি স্বৰূপে কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত হোৱা ডিব্রুগড় জিলা কৰ্মচাৰী পৰিষদৰ ষষ্ঠদশ দ্বি-বাৰ্ষিক অধিৱেশনৰ মুকলি সভাত ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া, সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি দীপেন শৰ্মা, সম্পাদক প্ৰধান পংকজ বৰ্মন, উপ-সভাপতি প্ৰসন্ন বৰুৱা, ডিব্রুগড় জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি পলাশ কোঁৱৰ, সাধাৰণ সম্পাদকজনক দাসকে ধৰি সমূহ বিষয়ববীয়াৰ লগতে দুইশতাধিক প্ৰতিনিধিৰ উপস্থিতিত তেওঁক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উল্লেখ্য যে শৰ্মাই ইতিমধ্যে ডি এইচ এছ কানৈ মহাবিদ্যালয়ত কৰি অহা কৰ্মৰ স্বীকৃতিস্বৰূপে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াৰ হাতেৰে দুবাৰকৈ সম্বৰ্ধিত হৈছে।

## ভাৰতীয় সংগীতক ঐশ্বৰ্যশালী ...

সহযোগত ২৫ ডিচেম্বৰত নাহৰকটীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত মাহমৰা আলিকিনাৰ ৰাজঘাটত অৱস্থিত ল'ৰা ৰজাৰ(চুলিকফা ওৰফে ৰত্নধ্বজ সিংহ) মৈদামত ফলক উন্মোচন কৰে। এই উপলক্ষে অনুষ্ঠিত ৰাজহুৱা সভাত সভাপতিত্ব কৰে অধ্যাপক ড০ দীপাংকৰ গগৈয়ে। উদ্দেশ্য ব্যাখ্যা কৰে কৃষ্ণকান্ত হাজৰিকাই। সভাত উপস্থিত থকা অৱসৰপ্ৰাপ্ত শিক্ষক ক্ষীৰেশ্বৰ তিনিকুৰীয়াই মৈদামটোৰ সম্পৰ্কে বহু তথ্য

## শিক্ষাবি... মণিৰাম আগ...

ডিব্রুগড়, ২৬ ডিচেম্বৰঃ শিক্ষাবিদ, কবি, সাহিত্যিক, মণিৰাম আগৰৱালাৰ আজি পুৱতিনিশা পৰলোকপ্ৰাপ্তি হয়। ১৯৪৪ চনৰ ১ অক্টোবৰত এক মধ্যবিত্ত মাৰৱাড়ী পৰিয়ালত জন্মগ্ৰহণ কৰা মণিৰাম আগৰৱালা আছিল আজীৱন অধ্যয়ন আৰু শিক্ষাদানত নিয়োজিত ব্যক্তি। ধেমাজি হাইস্কুলৰ পৰা অসমীয়া মাধ্যমত মেট্ৰিক পৰীক্ষা, ডিব্রুগড় ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ পৰা বি এ আৰু ১৯৬৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত এম এ আৰু ১৯৬৯ চনত এল এল বি পাছ কৰে। বিগত কেইবাটাও দশক ধৰি বেদান্ত, সাংখ্য, পতঞ্জলি যোগদৰ্শন, ভাগৱত, প্ৰধান উপনিষদ, বুদ্ধ আৰু

মহাবীৰ
সাহিত্য
বিভিন্ন
তেওঁৰ
ৰচিত
বিজ্ঞানৰ
অৱস্থা',
দুৰ্যাঁকিৰ
বিৰোধ
ইংৰাজী
tradic
কবিতাৰ
আছিল
১৯৮৬
বি আই
চনৰ নে